প্ৰতি,

তাৰিখ – ০৪/১১/২০১৫

মাননীয় সম্পাদক

দৈনিক বাতৰি কাকত

যোৱা ৩ নৱেম্বৰ তাৰিখে আপোনাৰ কাকতত প্ৰকাশিত "নলবাৰীৰ বৰক্ষেত্ৰী এন আৰ চি কেন্দ্ৰত ভয়ংকৰ জালিয়াতি " শীৰ্ষক বাতৰিটো মোৰ দৃষ্টি গোচৰ হৈছে । উক্ত বাতৰিটোত নলবাৰীৰ সংবাদ দাতা মজিবুৰ ৰহমানে বৰক্ষেত্ৰী এন আৰ চি কেন্দ্ৰৰ জ্যেষ্ঠ সহায়ক চাদেক আলীয়ে দিয়া অভিযোগৰ ভিত্তিত লিখা বুলি উল্লেখ কৰিছে । এই ক্ষেত্ৰত মোৰ কব লগা এয়ে যে চাদেক আলী নামৰ কোনো জ্যেষ্ঠ সহায়ক বৰ্তমান বৰক্ষেত্ৰী এন আৰ চি কেন্দ্ৰত নাই । চাদেক আলী নামৰ এগৰাকী ব্যক্তিক বৰক্ষেত্ৰী ৰাজহ চক্ৰত এন আৰ চি অধ্যাবধী কৰনৰ বাবে যোৱা ০১/১১/২০১৪ ইং তাৰিখে NAL/NRC/5/2013/224-232 নং আদেশ মৰ্মে ঠিকা ভিত্তিক নিযুক্তি দিয়া হৈছিল চুক্তিপত্ৰ মতে তেওঁৰ কাৰ্য্যকাল ৩০/০৯/২০১৫ ইং তাৰিখে শেষ হয় । কিন্তু চাদেক আলীয়ে নিযুক্তি লাভৰ পাছৰ পৰাই কাৰ্য্যালয়ত অনিয়মীয়া উপস্থিতি আৰু লগতে এন আৰ চি সম্পৰ্কীয় কামত কাৰ্যালয়লৈ অহা বিভিন্ন ব্যক্তিক ধন দাবী কৰাৰ অভিযোগ আছিল । এই সম্পৰ্কে তেওঁক মৌখিক ভাবে একাধিকবাৰ সাৱধান কৰি দিয়া হৈছিল । কিন্তু তেওঁ ইয়াৰ ওপৰত কোনো গুৰুত্ব নিদিয়াৰ বাবে জ্যেষ্ঠ সহায়ক হিচাবে তেওঁৰ কাৰ্য্যকাল বৰ্ধিত কৰা হোৱা নাছিল ।

এই কথাত ক্ষুন্ন হৈ হিনমন্যতাত ভুগি চাদেক আলীয়ে মিছা অভিযোগ উত্থাপিত কৰি আপোনাৰ কাকতৰ সাংবাদিকক ভুল পথে পৰিচালিত কৰিছে আৰু ৰাইজক বিভ্ৰান্ত কৰিছে ।

বাতৰিত অভিযোগ কৰা মতে এ এছ ০১ বি এম ৪৩৩৫ নংৰ গাড়ী খনৰ নামত ২৬,৩৭০,০০ টকা এন আৰ চি ৰ চি পি এছ ৰেকিবউদ্দিন আহমেদৰ সৈতে লগ লাগি আত্মসাত কৰা বুলি কোৱা হৈছে । কিন্তু এই গাড়ী খন চৰকাৰৰ ইং ০৭/০২/২০১৫ আৰু ০৩/০৩/২০১৫ তাৰিখৰ ক্ৰমে SPMU/NRC/Fund Release to Dist./29/2014/93 dtd.07/02/2015 আৰু NAL/NRC/3/2015/12 dtd. 03/03/2015 নং চিঠিৰ নিৰ্দেশ মৰ্মে তদানীন্তন চক্ৰ বিষয়াৰ দিনতে চৰকাৰৰ পৰিবহন বিভাগৰ নিয়ম অনুসৰি যোৱা ০১/০৬/২০১৫ ইং তাৰিখৰ পৰা ৩১/০৬/২০১৫ ইং তাৰিখৰ মুঠ ২৭ দিনৰ বাবে ভাড়ালৈ লোৱা হৈছিল । পৰৱৰ্তী পৰ্যায়ত গাড়ীৰ গৰাকীয়ে বিল দাখিল কৰাত সেই বিল এন আৰ চি ৰ ৰাজ্যিক সমন্বয়ক কাৰ্য্যালয়লৈ প্ৰেৰন কৰা হৈছিল আৰু তাৰ পৰাই পোনপটিয়া ভাবে গাড়ী খনৰ গৰাকীৰ বেংক একাউণ্টত গাড়ীৰ ভাড়া বাবদ পাব লগা টকা জমা হৈছিল । ইয়াত চি পি এছ ৰেকিবউদ্দিন বা মই মাজত কোনো ধৰনে জড়িত হোৱা নাই । যিহেতু এই অঞ্চলত ব্যৱসায়ীক ভিত্তিত ভাড়া দিয়া গাড়ী পৰ্য্যাপ্ত নাই সেয়েহে বিভিন্ন কামত ব্যক্তিগত গাড়ী ভাড়া লোৱা হয় । সেই হিচাপে ৰফিক উল্লাহ নামৰ ব্যক্তি জনৰ পৰা উক্ত গাড়ী খন ভাড়াত লোৱা হৈছিল । ইয়াৰ বাহিৰেও আন এটা অভিযোগ আনিছে যে, গাড়ীৰ তেলৰ নামত হাজাৰ হাজাৰ টকা জালিয়াতি কৰা হৈছে । এই ক্ষেত্ৰত জনোৱা হয় যে গাড়ীৰ তেলৰ ব্যৱহাৰৰ ক্ষেত্ৰত চৰকাৰী নিয়ম অনুসৰি LOG SHEET ব্যৱহাৰ কৰা হয় আৰু তেল ডিপোৰ পৰা পোৱা বিলৰ লগতে এই LOG SHEET সমূহো ৰাজ্যিক সমন্বয়কৰ কাৰ্যালয়লৈ প্ৰেৰন কৰা হয় আৰু উক্ত কাৰ্য্যালয়ত পৰীক্ষা কৰাৰ পাছত হে তেল ডিপোৰ গৰাকীৰ বেংক একাউণ্টত ৰাজ্যিক কৰ্য্যালয়ৰ পৰা বিলৰ ধন জমা দিয়ে । আনহাতে বৰক্ষেত্ৰী ৰাজহ চক্ৰৰ অধীনৰ ১৬ টা কেন্দ্ৰৰ দায়িত্বত চাহনোৱাজ হুছেইন নামৰ কোনো ব্যক্তি নাই । অৱশ্যে উক্ত নামৰ এগৰাকী অপাৰেটৰ আছে । চাহনোৱাজ হুছেইন নামৰ কোনো গাড়ী চালকে এতিয়ালৈকে দৰমহা লোৱা নাই । আপোনাৰ কাকতত প্ৰকাশিত বাতৰিটো সম্পূৰ্ন ভিত্তিহীন আৰু মনে সজা ।

গতিকে জালিয়াতি কৰাৰ বাতৰিটো স্পষ্টিকৰন আকাৰে আপোনাৰ কাকত প্ৰকাশ কৰি ৰাইজৰ মাজত বিভ্ৰান্তি দুৰ কৰিবৰ বাবে অনুৰোধ জনালো ।

ইতি-

(ৰক্তিম বৰুৱা)

চক্ৰ বিষয়া, বৰক্ষেত্ৰী ৰাজহ চক্ৰ

নাৰায়নপুৰ, মুকালমুৱা